জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১২৯/২০২২

# বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## ভাষা-সাহিত্যৰ বিকাশৰ দিশত বড়ো সাহিত্য সভাই লোৱা ভূমিকাৰ প্ৰশংসা মুখ্যমন্ত্ৰীৰ

## বড়ো সাহিত্য সভালৈ আৰ্থিক সাহায্য ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৪ মে' ঃ** তামুলপুৰৰ কচুবাৰীৰ গৌজীন ফৌথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক বাৰ্ষিক অধিৱেশনত আজি ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি ৰাম নাথ কোৱিন্দ, ৰাজ্যপাল অধ্যাপক জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বড়ো সাহিত্য সভাৰ ইতিহাসত ৬১ সংখ্যক বাৰ্ষিক অধিৱেশন সদায় এক গৌৰৱময় অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ব। বড়ো সাহিত্য সভাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষৰ এগৰাকী ৰাষ্ট্ৰপতিয়ে অংশগ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই অধিৱেশনত ৰাষ্ট্ৰপতি ৰাম নাথ কোৱিন্দৰ অংশগ্ৰহণে উত্তৰ-পূৰ্বাঞ্চলৰ ভাষা-সাহিত্যৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে প্ৰদৰ্শন কৰা গুৰুত্বৰ কথাকে সূচাইছে। ৰাষ্ট্ৰপতি ৰাম নাথ কোৱিন্দক এই অধিৱেশনত অংশগ্ৰহণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বড়ো ভাষা ভাৰতৰ সংবিধানৰ অষ্টম অনুচ্ছেদত অন্তৰ্ভুক্ত হোৱাৰ ক্ষেত্ৰত তেখেতে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ শলাগ লয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই বড়ো সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি আৰু সম্পাদক ক্ৰমে জয়চন্দ্ৰ হাগজেৰ আৰু সোণাৰাম থাউছেন প্ৰমুখ্যে যিসকল পুৰোধা ব্যক্তিৰ প্ৰচেষ্টাত প্ৰতিষ্ঠা কালৰে পৰা বড়ো সাহিত্য সভাই বড়ো ভাষা-সাহিত্যৰ বিকাশৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি বৰ্তমানৰ গুৰুত্বপূৰ্ণ অনুষ্ঠানত পৰিণত হৈছে তেওঁলোক সকলোৰে প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থল অসম ৰাজ্যত খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ ভাষা-সাহিত্যই বৃহত্তৰ অসমীয়া সমাজখনক সুকীয়া পৰিচয়েৰে উদ্ভাষিত কৰিছে। ড° শৰ্মাই কয় যে ৰাজ্যৰ প্ৰতিটো সৰু-বৰ জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ বিকাশ

অবিহনে সামগ্ৰিকভাৱে ৰাজ্যখনৰ ভাষা-সাহিত্যৰ বিকাশ সম্ভৱ নহয় আৰু সেয়েহে থলুৱা ভাষা-সাহিত্যৰ সংৰক্ষণ আৰু বিকাশৰ বাবে এক শৃংখলাবদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজন। এই ক্ষেত্ৰত অসম সাহিত্য সভা, নিখিল বড়ো সাহিত্য সভাকে ধৰি জনগোষ্ঠীয় সাহিত্য সভাসমূহৰ দায়িত্ব যথেষ্ট গধুৰ। সাহিত্য সভাসমূহে জনসাধাৰণৰ মাজত সাহিত্য-সংস্কৃতি আৰু মানৱীয় প্ৰমূল্যবোধৰ প্ৰসাৰ ঘটাই ভাষা-সাহিত্যৰ বিকাশৰ লগতে সামাজিক উত্তৰণত অৰদান আগবঢ়াব লাগিব।

এই প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই ১৯৩৭ চনত অসম সাহিত্য সভাৰ সভাপতি হিচাপে পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈয়ে প্ৰদান কৰা এক মন্তব্য উল্লেখ কৰি কয় যে প্ৰতিখন সমাজৰ উত্তৰণত শক্তিশালী জাতীয় সত্ত্বাই গুৰুত্বপূৰ্ণ ভূমিকা লয় আৰু এক নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ ভিতৰত বসবাস কৰা লোকসকলৰ দ্বাৰা ৰচিত সাহিত্যই সেই অঞ্চলত বসবাস কৰা জনসাধাৰণৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰিব লাগে।

মুখ্যমন্ত্ৰীয়ে কয় যে বড়ো সাহিত্য সভাই লোৱা প্ৰশংসনীয় ভূমিকা আৰু ৰাজ্যৰ এক বুজন সংখ্যক লোকে বড়ো ভাষা ব্যৱহাৰ কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে বড়ো ভাষাক ইতিমধ্যে অসমৰ এক সহযোগী ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে ঘোষণা কৰে যে একাদশ আৰু দ্বাদশ শ্ৰেণীৰ পাঠদানৰ ক্ষেত্ৰতো বড়ো ভাষা প্ৰৱৰ্তন কৰা হ'ব আৰু পৰৱৰ্তী পৰ্যায়ত স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়লৈও ইয়াৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ বড়ো অধ্যুষিত জিলাসমূহত বড়ো সাহিত্য সভাৰ কাৰ্যালয় স্থাপনৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা ৫০ লাখ টকাকৈ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। তদুপৰি বড়ো ভাষা সাহিত্যৰ উত্তৰণৰ হকে বড়ো সাহিত্য সভাই যাতে অধিক তীব্ৰতাৰে কাম কৰি যাব পাৰে তাৰ বাবে ৫ কোটি টকাৰ এক ঘূৰ্ণীয়মান পুঁজিও ৰাজ্য চৰকাৰে আগবঢ়াব বুলি কয়।

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ইংৰাজী ভাষাৰ পৰা বড়ো ভাষালৈ অনূদিত অসম বিধান সভাৰ কাৰ্যপ্ৰণালীৰ ওপৰত ৰচিত 'ৰুলছ্ অফ প্ৰচিডিউৰ এণ্ড কনডাক্ট অফ বিজনেছ ইন আসাম লেজিচ্‌লেটিভ এছেম্বলী' শীৰ্ষক গ্ৰন্থখন মুকলি কৰে।

বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়োৱে আদৰণী ভাষণ প্ৰদান কৰা এই সভাত ৰাষ্ট্ৰপতি ৰাম নাথ কোৱিন্দ, ৰাজ্যপাল অধ্যাপক জগদীশ মুখী, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱেও ভাষণ প্ৰদান কৰে।

ৰাষ্ট্ৰপতিৰ সহধৰ্মিনী তথা ফাৰ্ষ্ট লেডী সবিতা কোৱিন্দ, ছিক্কিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং, অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি এই সভাত উপস্থিত থাকে।

**সুঃদ / বীঃগঃ**
**০৪/০৫/২০২২**